# <u>ইছ্ৰত জাহানৰ চাৰ্জশ্বীট</u>

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

**৪ জুন ২০১৩ তাৰিখে মই বিস্তৃত মন্তব্য দি সকলোকে সুধিছিলো যে কেন্দ্ৰীয় অনুসন্ধান বিভাগে ইন্টেলিজেন্স বিউৰোক অনাবৃত কৰিব লাগে নেকি ? ভাৰতৰ আভ্যন্তৰীণ সুৰক্ষাক বহুতো সীমাপাৰ আৰু স্থানীয় সন্ত্ৰাসবাদীয়ে প্ৰত্যাহ্‌ৱান জনাইছে । জীহাদী সন্ত্ৰাসবাদীৰ পৰা মাওবাদীৰ লৈকে ভাৰতে প্ৰত্যাহ্‌ৱানৰ সন্মূখীন হৈ আছে । এনে প্ৰত্যাহ্‌ৱানক যুজঁ দিব'লৈ বুদ্ধিমত্তা আৰু প্ৰত্যাক্ৰমণৰ প্ৰয়োজন । এনে অপাৰেচনচত তথ্য সংগ্ৰহ কৰা, সন্ত্ৰাসবাদীৰ মাজত সোমোৱা, আগভেটি ধৰা, তথ্য যোগান ধৰোঁতাক বিত্তীয় সাহাৰ্য্য দিয়া আৰু এনে সন্ত্ৰাসক সমাপ্ত কৰা আদি অন্তৰ্ভূক্ত । আমাৰ অনুসন্ধান বিভাগে বহু গুপনে এনে অপাৰেচন কৰিব লগা হয় । বহুতো গুপন কাৰ্য্য কৰা হয় যদিও কেতিয়াও স্বীকাৰ কৰি লোৱা নহয় । এনে বহুতো সংখ্যক অপাৰেচনৰ আইনী সমৰ্থনো নাথাকে, যিহেতু ভাৰতৰ ইন্টেলিজেন্স বিভাগ চৰকাৰৰ আভ্যন্তৰীণ কাৰ্য্যপ্ৰণালীৰ ভিত্তিত কাৰ্য্য কৰে । ইয়াত বৃহৎ ৰাজহুৱা আৰু দেশৰ স্বাৰ্থ জড়িত থাকে । আশা কৰিছো যে গণতান্ত্ৰিক ব্যৱস্থাৰ মাজৰ এনে কাৰ্য্য আইনৰ অধীনত অনা হ'ব আৰু লগতে সংসদেও তেওঁলোকৰ কিছু কাৰ্য্য নীৰিক্ষণ কৰিব পাৰিব ।**

ইন্টেলিজেন্স বিউৰোয়ে কিছুমান সন্ত্ৰাসবাদী কাৰ্য্যৰ সংবাদ লাভ কৰিছিল য'ত ইছ্ৰত জাহানৰ নাম ওলাইছিল ।এনে তথ্যই পাছত গৈ জনাজাত হৈ যায়। তাৰ পাছত সন্ত্ৰাসবাদীৰ কাৰ্য্যক নি:শেষ  কৰা হয় । লাহোৰৰ ঘাজৱা টাইমচৰ জড়িয়তে জামাত -উদ - দাৱা য়ে দাবী কৰিছে যে ইছ্ৰত লস্কৰ-এ-তৈয়াবা ৰ এজন সদস্য আৰু তেওঁৰ মৃত্যু হৈছে । ইয়াৰ পাছত এফ বি আই আৰু এন আই এ য়ে কৰা সোধ-পোছত ডেভিদ হেডলিয়ে এই কথা স্বীকাৰ কৰিছিল । ভাৰতৰ ইউ এছ ৰাষ্ট্ৰদূতৰ আইনৰ সহযোগীয়ে এখন তথ্য সন্মিলিত কাকত ইন্টেলিজেন্স বিউৰোলৈ প্ৰেৰণ কৰিছিল যি এই কথা প্ৰমাণিত কৰিছিল ।

যি সময়ত ইছ্ৰত জাহান আৰু তেওঁৰ সহযোগীক মাৰি পেলোৱা হৈছিল, সেই সময়ত ইউ পি এ-১ ৰ চৰকাৰ আছিল । তেওঁৰ পৰিয়ালে গুজৰাট উচ্চ ন্যায়লয়ত ৰাজহুৱা স্বাৰ্থ জড়িত থকা আবেদন দাখিল কৰে । কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত স্পষ্ট স্থিতি লৈছিল যে ইছ্ৰত জাহান এল-ই-টি ৰ সদস্য আছিল আৰু ১৫ জুন ২০০৪ তাৰিখে সচাঁকৈয়ে মুখা-মুখি সংঘৰ্ষ হৈছিল । সেই সময়ত

কেন্দ্ৰীয় গৃহমন্ত্ৰী হিচাপে শিৱৰাজ পাটিল আছিল । গৃহমন্ত্ৰী সলনি হোৱাৰ লগে লগে চৰকাৰৰ স্থিতিও সলনি হৈ গ'ল । নতুন গৃহমন্ত্ৰী শ্ৰীযুত পি চিদাম্বৰমৰ অধীনত গৃহমন্ত্ৰীয়ে এখন শপতনামা দাখিল কৰি কয় যে চৰকাৰ এই কাণ্ডত জড়িত নহয় আৰু এতিয়া তেওঁলোকে এই সম্পূৰ্ণ কাণ্ডৰ অনুসন্ধানৰ বাবে আবেদনকাৰীক সহযোগিতা আগবঢ়াইছে। ৰাজনৈতিক খণ্ডৰ লোকে আশা কৰিছে, যিহেতু তেওঁ লোকে গুজৰাট চৰকাৰক দোষী সাব্যস্ত কৰিব'লৈ কৰা বিভিন্ন চেষ্টাত অসফল হৈছে, সেইবাবে এই অনুসন্ধানৰ জড়িয়তে অলপ হ'লেও গুজৰাট চৰকাৰৰ ৰাজনৈতিক নেতাৰ ওপৰত আঘাত সানিব ।

আদালতে গঠন কৰা এচ আই টি ৰ অনুসন্ধানৰ পাছত এতিয়া এই গুচৰক চি বি আই ক অনুসন্ধান কৰিব'লৈ দিয়া হৈছে । অনুসন্ধানকাৰী বিষয়াৰ মাজৰ এজন বিষয়াক ইছৰত জাহানৰ মাক দেউতাকে বাচি লৈছে । এচ আই টি ৰ ৩ জন সদস্যৰ মাজৰ এজন সদস্য আবেদনকাৰীৰ দ্বাৰা মনোনীত । এফ আই আৰত নাম থকা বৃহৎ সংখ্যাৰ পুলিচ বিষয়াক কৰায়ত্ত কৰা হৈছিল, আৰু তেওঁলোক গুজৰাট পুলিচৰ বিষয়া আছিল । তেওঁলোকৰ লগত ৰাজনৈতিক দ'লে বুজা-বুজি চলাইছে । ৯০ দিনৰ লৈকে চাৰ্জশ্বীট ফাইল নকৰাৰ বাবে তেওঁলোকে জামিন লাভ কৰে । মুখা-মুখি সংঘৰ্ষত উপস্থিত থকা কিছু লোক, যি সকলে সাক্ষী দিয়াৰ প্ৰতিশ্ৰুতি দিছিল, তেওঁলোককহে কথা দিয়া হৈছিল যে চাৰ্জশ্বীটৰ পৰা তেওঁলোকৰ নাম আতঁৰাই দিয়া হ'ব । তেওঁলোকৰ নিজৰ বিবৃত্তিয়েও এইয়াই প্ৰমাণ কৰিছিল যে তেওঁলোক কেৱল সাক্ষীহে অভিযোগকাৰী নহয় । প্ৰথম আৰু দ্বিতীয় চাৰ্জশ্বীটৰ পৰা অভিযোগকাৰীৰ নাম আতঁৰাই দিয়া হৈছিল । এনে কাৰ্য্যপ্ৰণালী আইনৰ বাবেও অবুজ । চি আৰ পি চি ৰ অনুচ্ছেদ ১৬৪ ৰ অন্তৰ্গতত দিয়া তেওঁলোকৰ সাক্ষী আহমেদাবাদত নহয়, মুম্বাই আদালততহে লোৱা হৈছিল । এজন অভিযুক্তই লগৰ অভিযুক্তৰ বিৰুদ্ধে সাক্ষী দিব নোৱাৰে । তেওঁ কেৱল সমৰ্থনকাৰীহে হ'ব পাৰে । প্ৰকৃত গুলীয়া-গুলীত উপস্থিত থকা লোকৰ নাম, অভিযোগকাৰীৰ তালিকাৰ পৰা আতঁৰাই দিয়া হৈছিল যাতে তেওঁলোকে আনক এই গুচৰত আনিব পাৰে ।

গুজৰাটৰ ৰাজনৈতিক নেতাক অপৰাধমূলক কাৰ্য্যত জড়িত কৰাৰ দূৰ্বল চেষ্টা কৰা হৈছে । হুৱাইট বিয়েৰ আৰু ব্লেক বিয়েৰৰ ধাৰণা সজোৱা হৈছে । কিন্তু তেওঁলোকে ইমানতো ৰোৱা নাই । এই ক্ষোভ এতিয়া ইন্টেলিজেন্স বিউৰোৰ ওপৰত । তথ্য সংগ্ৰহ, সন্ত্ৰাস ফাদিল কৰা, অভিযুক্তক সোধা-পোচা কৰা দায়িত্বত থকা লোকক অপৰাধমুলক কাৰ্য্যত লিপ্ত কৰোৱাৰ চেষ্টা কৰোৱা হৈছে । ভূক্তভূগী লোকৰ চকুৰ পানী ইতিমধ্যে শুকাই গৈছে আৰু এতিয়া আদালতৰ সন্মূখত দুখন চাৰ্জশ্বীট প্ৰস্তুত কৰা হৈছে ।

এই সংঘৰ্ষৰ সময়ত ইউ পি এ - ১ ৰ চৰকাৰ আছিল । এতিয়া মানি লোৱা হৈছে যে গুজৰাটৰ ৰাজনৈতিক নেতাৰ বিৰুদ্ধে কোনো তথ্য নাই । কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ দ্বাৰা সজোৱা অপাৰেচন অপৰাধমূলক আইনৰ অনুসন্ধানৰ বিষয়বস্তু । ইণ্টেলিজেন্স বিউৰোয়ে সংগ্ৰহ কৰা তথ্য, তাৰ বিশ্বাসযোগ্যতা, তথ্যৰ প্ৰচাৰ, সন্ত্ৰাসৰ ফাদিল কৰা, অভিযুক্তৰ সৈতে সোধ-পোচ আৰু সন্ত্ৰাসৰ ফাদিল কৰাৰ বাবে বহুতো খণ্ডৰ সহযোগিতা এতিয়া অপৰাধমূলক আইনৰ বিষয়বস্তু । ২০০৯ চনত থকা গৃহমন্ত্ৰীয়ে শ্ৰীযুত নৰেন্দ্ৰ মোডী আৰু অমিত শ্বাহক অপৰাধমূলক কাৰ্য্যত লিপ্ত কৰোৱাৰ ব্যৱস্থা কৰিছিল । শেষত তেওঁলোকে ইণ্টেলিজেন্স বিভাগকে দায়ী কৰি পেলালে, যি ইউ পি এ চৰকাৰৰ এটা বিভাগ আৰু এই সংঘৰ্ষৰ প্ৰকৃতি উপযুক্ত আদালতে বিচাৰ কৰিব । তথাপিও এনে কাৰ্য্যৰ দ্বাৰা ভাৰতৰ ইণ্টেলিজেন্স বিভাগক আৰু তেওঁলোকৰ ক্ষমতাৰ যি ক্ষতি হৈছে তাক পূৰণ কৰিব পৰা নাযাব । ৪ জুন ২০১৩ তাৰিখে মোৰ লিখাত মই লিখিছিলো - ‘ শেষত কেৱল পাকিস্থান আৰু লস্কৰ-এ-তৈয়াবাইহে হাহিঁ মাৰিব । দিল্লীৰ শাসকীয় দ’লে এনে বিভাগক ক্ষতিগ্ৰস্ত কৰাৰ পৰিণাম গম পোৱা নাই । কংগ্ৰেছ দ’লৰ লক্ষ্য নিকা - গুজৰাট চৰকাৰক হাৰাশাস্তি কৰি থকা অথচ ইয়াৰ বাবে ভাৰতৰ সুৰক্ষাৰ গাঠঁনিতো আঘাত সানিব লগা হয় । ’